সুপ্ৰভাত

আজিৰ দিনটোতে—

- বিশ্ব অপেছাদাৰী ৰেডিঅ' দিৱস
- ব্ৰাজিলত বন্ধু দিৱস
- জাপানত উদ্ভাৱন দিৱস
- ১৮৩১ত আলবামা বিশ্ববিদ্যালয় প্ৰতিষ্ঠা
- ১৯১৬ত অভিনেত্ৰী ললিতা পাৱাৰৰ জন্ম
- ১৯৯২ত ক্ৰিকেটাৰ কে এল ৰাহুলৰ জন্ম

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

বাৰ □ ৪ ব'হাগ ১৯৪৭ শক □ ১৮ এপ্ৰিল ২০২৬ চন □ VOL-16 □ NO-43 □ SATURDAY 18 APRIL 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

### অসমীয়া সমাজখন নানাৰঙী এখন সুন্দৰ ফুলৰ বাগিচাৰ দৰেঃ অধ্যক্ষ ড° শইকীয়া

## পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী যুৱ মঞ্চৰ গৰু বিহু উদ্‌যাপন

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১৭ এপ্ৰিল ঃ 'অসমীয়া সমাজখন নানাৰঙী এখন সুন্দৰ ফুলৰ বাগিচাৰ দৰে। প্ৰতিটো জাতি-জনগোষ্ঠী, সম্প্ৰদায়, গোষ্ঠী, ধৰ্ম সেই বাগিচাখনৰ ফুলি থকা একো একোপাহ ফুলৰ দৰে। মৰুভূমিৰ দেশৰ পৰা আহি লুইত পাৰত থিতাপি লোৱা মাৰোৱাৰীসকলে অসমীয়া সমাজখন শুৱনি কৰি তুলিছে। তেওঁলোক ব্যৱসায় কৰিবলৈ অহা নাছিল। তেওঁলোক আহিছিল অসমীয়া হোৱাৰ সংকল্প লৈ।' অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডি এইচ এছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ, বিশিষ্ট সাহিত্যিক, স্তম্ভ লেখক ড° শশীকান্ত শইকীয়াই ১৪ এপ্ৰিলৰ পুৱা গৰু বিহুৰ দিনা এইদৰে কয়। পূৰ্বোত্তৰ প্ৰদেশীয় মাৰোৱাৰী যুৱ মঞ্চ প্ৰগতি শাখাৰ উদ্যোগত ডিব্ৰুগড়ৰ গো-শালাত অনুষ্ঠিত লুইতপৰীয়া বিহু সন্মিলনৰ অংশ হিচাপে অসমৰ পৰম্পৰাগত ৰীতি-নীতিৰে উদ্‌যাপন কৰা গৰু বিহু উদ্‌যাপনৰ মুখ্য অতিথি হিচাপে উপস্থিত থাকি অধ্যক্ষ ড° শইকীয়াই কয় যে শদিয়াৰ পৰা ধুবুৰীলৈ, ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ চালে দেখা যায়



মাৰোৱাৰী সমাজৰ বিভিন্ন শৈক্ষিক, আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ। মাৰোৱাৰী সমাজৰ ধন-টকা-পইচা, সাহায্যৰ পৰা বিহু উদ্‌যাপন কৰালৈকে অসমৰ মাৰোৱাৰীসকলে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। অধ্যক্ষ ড° শইকীয়াই উনৈশ শতিকাৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰা হৰিবিলাস আগৰৱালা, চন্দ্ৰপ্ৰসাদ আগৰৱালাৰ বৰঙণিৰ কথা উল্লেখ কৰি তেওঁ কয় যে অসমীয়া ভাষা ৰক্ষাৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাৰ অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে। মাৰোৱাৰী তেজৰ হৈও অসমীয়া সংস্কৃতিৰ 'ৰূপকোঁৱৰ' হোৱা বুলি উল্লেখ কৰি তেওঁ কয় যে হৰিবিলাস আগৰৱালাৰ 'কীৰ্তনঘোষা' আৰু চন্দ্ৰকুমাৰ আগৰৱালাই 'জোনাকী' প্ৰকাশ কৰি অসমীয়া ভাষা উত্তৰণৰ প্ৰতি দায়িত্ব পালন কৰিছিল। তেওঁ কয় যে পানী আৰু গাখীৰ মিহলি হ'লে যেনেদৰে পৃথক কৰিব নোৱাৰি, তেনেদৰে মাৰোৱাৰী সমাজখনো অসমীয়া জাতিৰ স'তে মিলি যোৱা বুলি উল্লেখ কৰে। ডিব্ৰুগড় গো-শালা প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে এটা জাতি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'লেহে জাতিৰ সংস্কৃতি সুৰক্ষিত হ'ব। তেওঁ কয়— মৰোৱাৰীসকল হ'ল অসমীয়াৰ তেজৰ পৰিচয় আৰু অসমীয়াসকল হ'ল জাতিৰ পৰিচয়। তেওঁ ডিব্ৰুগড় গো-শালা কৃষি আৰু পশুপালন সংস্কৃতিৰ গৱেষণা কেন্দ্ৰৰূপে হৈ উঠাৰ আশা প্ৰকাশ কৰে। তেওঁ ভাষণ প্ৰসংগত হনুমানবক্স কানৈৰ লগতে জ্যোতিপ্ৰসাদ কানৈৰ উপৰি বহুকেইগৰাকী মাৰোৱাৰী বিশিষ্ট ব্যক্তিৰ অসমৰ জনজীৱনলৈ আগবঢ়োৱা অৱদানৰ বিষয়েও উল্লেখ কৰে। উল্লেখ্য যে লুইতপৰীয়া বিহু সন্মিলনৰ তৰফৰ পৰা সমাজ জীৱনলৈ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই অহা অধ্যক্ষ ড° শশীকান্ত শইকীয়াক পূৰ্বোত্তৰ মাৰোৱাৰী প্ৰদেশীয় যুৱ মঞ্চৰ সভাপতি ৰাজ চৌধুৰী, সম্পাদক প্ৰভাত কুমাৰ নিমোতিয়া আৰু প্ৰগতি শাখাৰ সভাপতি ৰিংকু শৰ্মা আৰু সম্পাদক খুচবু আগৰৱালাৰ স্বাক্ষৰিত মানপত্ৰৰ লগতে ফুলাম গামোচা, চেলেং চাদৰ, বিভিন্ন উপহাৰেৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। মাৰোৱাৰী যুৱ মঞ্চৰ প্ৰগতি শাখাৰ সভাপতি ৰিংকু শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আৰু সম্পাদক খুচবু আগৰৱালাই আঁত ধৰা সভাখনত ৰবী বাগ্ৰদিয়া, শশী আগৰৱালা, সুবিৰ আগৰৱালা, সুধিৰ আগৰৱালা, পল্লৱ শৰ্মা, অনুজ বৰুৱা, চন্দন মজুমদাৰকে প্ৰমুখ্য কৰি মাৰোৱাৰী সমাজৰ শতাধিক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে মাহ-হালধিৰে গৰুক গা ধুৱাই মাখিয়তি, দীঘলতিৰে গৰু গাত কোবাই পূজা, সেৱা কৰা অনুষ্ঠানত মাৰোৱাৰী মহিলাসকলে বিহু নৃত্য প্ৰদৰ্শন কৰে। সভাৰ শেষত মৰোৱাৰী বৃদ্ধ ডেকা-গাভৰু সকলোৱে বিহু নৃত্যত অংশগ্ৰহণ কৰি অনুষ্ঠানৰ সামৰণি মাৰে।